অধ্যায় ৭ ঃ ৰচনা লিখাৰ সাধাৰণ প্ৰণালী

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ৰচনা কি, ৰচনা লিখাৰ ৰীতি
৭.৪ ৰচনাৰ শ্ৰেণীবিভাগ
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰচনা কি তাৰ পৰিচয় লাভ কৰিব
- ৰচনা লিখোতে মনত ৰাখিব লগীয়া দিশসমূহ কি তাক জানিব
- ৰচনাৰ শ্ৰেণীবিভাগ সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- অনুবাদ কৰোঁতে কোন কেইটা বিশেষ দিশত গুৰুত্ব প্ৰদান কৰিব লাগে আৰু অনুবাদৰ প্ৰয়োজনীয়তা সম্পৰ্কে জ্ঞাত হ'ব।

৭.২ পৰিচয়

স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰথম ষাণ্মাসিকৰ সক্ষমতা বিকাশ পাঠ্যবিষয় 'প্ৰায়োগিক অসমীয়া'ৰ অন্তৰ্গত এইটো সপ্তম অধ্যায়। ইয়াত ৰচনা কি, ৰচনা লিখাৰ নীতি তথা ৰচনাৰ শ্ৰেণী বিভাগ সম্পৰ্কে অধ্যয়ন কৰিব পাৰিব।

৭.৩ ৰচনা কি, ৰচনা লিখাৰ ৰীতি

কোনো এটা বিষয় সম্পৰ্কে যুক্তি-বিশ্লেষণ তথা তথ্যানুসাৰে লিখা কথাই হ'ল ৰচনা। ৰচনা লিখিবলৈ হ'লে কেতবোৰ দিশৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিব লাগে। সেই কেইটা হ'ল—

- কোনো এক বিষয়ৰ ৰচনা লিখিবলৈ হ'লে প্ৰথমে সেই বিষয়টোৰ সম্পৰ্কে এক সামগ্ৰিক ধাৰণা মনতে কৰি ল'ব লাগে। আলোচ্য বিষয়টোৰ ওপৰত এনে ভাৱে মনোনিৱেশ কৰিব লাগে যাতে তাৰ সকলোবোৰ কথা এখন মানচিত্ৰৰ দৰে আমাৰ দৃষ্টিপটত সহজে ভাঁহি

উঠে। বিষয়টোৰ আটাইবোৰ কথা তন্ন তন্নকৈ চিন্তা কৰি লৈ তাৰ মূল কথাখিনি 'পইণ্ট' আকাৰে টুকি ল'ব লাগে। অকল সেয়াই নহয়, ৰচনা এখন লিখি থাকোঁতেও নতুন নতুন ভাব মনলৈ অহৰহ আহি থাকিব পাৰে, সেইবোৰকো মনলৈ অহা মাত্ৰেই টুকি যোৱা উচিত। তাৰ পাচত 'পইণ্ট' আকাৰে টুকি লোৱা কথাখিনি বেলেগ বেলেগ অনুচ্ছেদত বিশদভাৰে বিশ্লেষণ কৰিব লাগে। এনে কৰাৰ ফলত আলোচ্য বিষয়টোৰ প্ৰত্যেকটো দিশ ব্যাখ্যা কৰাত সুবিধা হয়। তদুপৰি বিষয়টোৰ অনুকূল আৰু প্ৰতিকূল দুয়োটা দিশত মতামত তথা দৃষ্টিভংগী আগবঢ়োৱাত সহজ হয়।

- ৰচনাত সাধাৰণতে অনাৱশ্যকীয় কথাবিলাক বাদ দি মূল কথাবোৰহে উপস্থাপন/ব্যাখ্যা কৰিব লাগে। ৰচনা দীঘলীয়া কৰিবলৈ গৈ অনাৱশ্যকীয় কথাবিলাক যোৱা দিলে ৰচনাখন ভাল নহৈ বেয়াহে হ'বগৈ। অৱশ্যে ৰচনা লিখোতে এইটো কথা সততে মনত ৰাখিব লাগে যাতে বিষয়টোৰ আৱশ্যকীয় কোনো কথা বাদ পৰি নাযায়।
- কেতিয়াবা ৰচনাত একেটা ভাবকে বাৰে বাৰে লিখি ৰচনাখন দীঘলীয়া কৰা হয়। সেয়া অতি বেয়া কথা। কেতিয়াবা আকৌ কোনোৱে ৰচনা এখন লিখোতে একোটা দীঘল আখ্যান লিখি ৰচনাখন দীঘলীয়া কৰি পেলায়। সেয়াও অতি বেয়া। ৰচনাত কোনো আখ্যান যদি প্ৰয়োজন সাপেক্ষে লিখিব লগা হয়, তেন্তে সেয়া অতি সংক্ষেপেহে উল্লেখ কৰিব লাগে।
- ৰচনাৰ ভাষা সদায় অতি মার্জিত হ'ব লাগে। ৰচনাৰ ভাষা প্ৰথমৰ পৰা শেষলৈ একে ধৰণৰ হ'ব লাগে। এঠাইত অতি জটিল ভাষা আৰু এঠাইত অতি সৰল ভাষা ব্যৱহাৰ কৰা উচিত নহয়। সাধাৰণতে ৰচনাত পোনপটীয়া, সহজ-সৰল, শ্ৰুতিমধুৰ, পঢ়ুৱৈজনৰ সহজতে বোধগম্য ভাষা প্ৰয়োগ কৰিব লাগে। ৰচনাৰ ভাষাত চুটি চুটি বাক্য ব্যৱহাৰ কৰা উচিত। কিয়নো দীঘলীয়া বাক্য একোটাই মূল অৰ্থ প্ৰকাশ কৰিব নোৱাৰিলে পঢ়ুৱৈৰ মনত বিৰূপ ধাৰণাহে উদয় হ'ব। তদুপৰি দীঘলীয়া বাক্যত ভুল হোৱাৰ সম্ভাৱনা অধিক।
- কিছুমান লোকৰ ভাষা স্বভাৱতে শুৱলা আৰু অলংকাৰপূৰ্ণ। এইসকল লোকে যিকোনো কথা অতি সহজতে অলংকাৰাদি প্ৰয়োগৰ দ্বাৰা শুৱলাকৈ প্ৰকাশ কৰিব পাৰে। এনে ভাষা সকলোৰে বাবে সম্ভৱপৰ নহয়। কিছুমানে এনে ভাষা বহুত ভাবি চিন্তিও লিখিব নোৱাৰে। গতিকে, ৰচনা লিখোতে যিয়ে যেনে ভাষা লিখিব পাৰে, তেনে ভাষাৰে ৰচনা লিখা উচিত। ভাষা শুৱলা কৰিবলৈ গৈ ভাবি-চিন্তি থাকিলে বৰঞ্চ সময়হে অপব্যয় হ'ব।
- ৰচনা লিখোতে বিষয়বস্তুৰ লগত সংগতি থকা কেতবোৰ উদ্ধৃতি দিব পাৰি যদিও সেইবোৰ বৰ বেছিকৈ দিব নালাগে।
- প্ৰত্যেক ৰচনাতে সাধাৰণতে তিনিটা ভাগ থাকে। আৰম্ভণি, আলোচনা আৰু সামৰণি। আৰম্ভণি ভাগটোত ৰচনা লিখিবলৈ লোৱা বিষয়টোৰ লগত সম্পৰ্ক থকা কথা অলপ লিখিব লাগে। আলোচ্য বিভাগটোত বিষয়টোৰ সকলোবোৰ কথা বৰ্ণনা কৰিব লাগে। আলোচনা ভাগটোৰ মূল ভাগৰ উপৰি আৰু কিছুমান সৰু সৰু উপবিভাগো থাকে। ৰচনা লিখাৰ আৰম্ভণিতে সেই বিষয়ে চিন্তা কৰি ভাগবিলাক নিৰ্দিষ্ট কৰি ল'ব লাগে। পিছত প্ৰত্যেকটো

ভাগৰে এক বা একাধিক অনুচ্ছেদ লিখিব লাগে। ইটো ভাগৰ কথা যাতে অন্য ভাগত নোসোমাই তাৰ প্ৰতি বিশেষ সাৱধান হোৱা উচিত।

- সামৰণিত লেখকে নিজৰ মন্তব্য প্ৰকাশ কৰিব লাগে। আৰম্ভণিৰ দৰে এই বিভাগটোও দীঘলীয়া হ'ব নালাগে। মন্তব্যত আক্ৰমণাত্মক, আক্ৰোশমূলক, সাম্প্ৰদায়িকতা বা জাতিগত, আবেগিক আদি কথা থাকিব নালাগে।
- বহুতে ভাবে যে ৰচনা সদায় দীঘলীয়া হ'ব লাগে, ৰচনা দীঘলীয়াকৈ লিখিলে বেছি ভাল হয় আৰু বেছি নম্বৰ পোৱা যায়; কিন্তু সেই কথা শুদ্ধ নহয়।

৭.৪ ৰচনাৰ শ্ৰেণী বিভাগ ঃ

সাধাৰণতে ৰচনাসমূহক তিনিটা শ্ৰেণীত ভগাব পাৰি। (ক) বৰ্ণনামূলক (খ) বৃত্তান্তমূলক আৰু (গ) চিন্তামূলক ৰচনা। এই তিনি শ্ৰেণীৰ ৰচনাক আৰু কিছুমান সৰু সৰু শ্ৰেণীত বিভাজন কৰা হয়। তলত এই বোৰৰ বিষয়ে উল্লেখ কৰা হ'ব। আমাৰ পাঠ্যবিষয় অনুসৰি পৰীক্ষাত আপোনাক যি কোনো এটা বিষয় সম্পৰ্কে এখন ৰচনা লিখিবলৈ দিয়া হ'ব। সকলোবিলাক বিষয়ৰ একোখনকৈ ৰচনা লিখি এখন স্ব-শিক্ষণ সামগ্ৰীত অন্তৰ্ভুক্ত কৰাটো সম্ভৱ নহয়। সেয়ে ৰচনা এখন লিখোতে কোনবিলাক বিষয়ত গুৰুত্ব দিব লাগে সেয়াহে ইয়াত আলোচনা কৰা হৈছে। তলত বিভিন্ন ৰচনাৰ গঠন কেনে হোৱা উচিত সেয়াও দেখুওৱা হৈছে। এইবোৰৰ আধাৰত আপুনি বিভিন্ন বিষয়ৰ ৰচনা লিখিবলৈ যত্ন কৰক।

➢ *বৰ্ণনামূলক*

❍ প্ৰাণী বিষয়ক ❍ বস্তু বিষয়ক ❍ উদ্ভিদ বিষয়ক
❍ কাল বিষয়ক ❍ শিল্প বিষয়ক ❍ স্থান বিষয়ক
❍ প্ৰকৃতি বিষয়ক, ইত্যাদি।

❍ প্ৰাণী বিষয়ক ঃ গৰু, হাতী, ঘোঁৰা আদি।

(ক) আৰম্ভণি ঃ নিৰ্দিষ্ট প্ৰাণীৰ লগত জড়িত সাধাৰণ বৰ্ণনা।
(খ) জাতি ঃ ঘৰচীয়া নে বনৰীয়া, তৃণভোজী নে মাংসভোজী নে অণ্ডজ।
(গ) আকৃতি ঃ অংগ প্ৰত্যঙ্গ, দৈহিক গঠন, দাঁত, শিং (আদি থাকিলে) আদিৰ বৰ্ণনা।
(ঘ) প্ৰকৃতি ঃ খাদ্য, বাসস্থান, বংশ বৃদ্ধি, শান্ত নে হিংস্ৰ, আয়ুস আদি।
(ঙ) ভাগ ঃ শ্ৰেণী বিভাজন।
(চ) উপযোগিতা ঃ কি কামত খটোৱা হয়, উপকাৰ, অপকাৰ আদি।
(ছ) সামৰণি ঃ নিজস্ব মন্তব্য।

❍ বস্তু বিষয়ক ঃ লো, কয়লা, কাপোৰ আদি।

(ক) আৰম্ভণি ঃ পৰিচয়

(খ) বৰ্ণনা ঃ সাধাৰণ বৰ্ণনা, মৌলিক নে মিশ্ৰ, শিল্পজাত নে খনিজাত।

(গ) প্ৰাপ্তিস্থান ঃ কোন দেশত পোৱা যায় বা যি দেশত তৈয়াৰী হয়।

(ঘ) নিৰ্মাণ প্ৰণালী ঃ কেনেকৈ নিৰ্মাণ কৰা হয় বা ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়।

(ঙ) ব্যৱহাৰ ঃ কি কামত ব্যৱহাৰ কৰা হয়, উপকাৰ, অপকাৰ আদি।

(চ) সামৰণি ঃ নিজস্ব মন্তব্য।

- উদ্ভিদ বিষয়ক ঃ ধান, মাহ, সৰিয়হ, মৰাপাট, কঁপাহ, কুঁহিয়াৰ আদি।

(ক) আৰম্ভণি ঃ পৰিচয়

(খ) বৰ্ণনা ঃ শাখা-প্ৰশাখা, বৃক্ষ, গুল্ম, লতা, তৃণ, তাল জাতীয় নে ঔষধি কোন বিধৰ, দেখিবলৈ কেনেকুৱা।

(গ) উৎপাদন প্ৰণালী ঃ বছৰৰ কোন সময়ত, কেনেকুৱা মাটিত, কিদৰে উৎপাদন কৰা হয় তাৰ বৰ্ণনা।

(ঘ) প্ৰাপ্তিস্থান ঃ কোন কোন ঠাইত পোৱা যায়/উৎপন্ন হয়।

(ঙ) ব্যৱহাৰ ঃ উপকাৰিতা, অপকাৰিতা আদি।

(চ) সামৰণি ঃ নিজস্ব মন্তব্য

- কাল বিষয়ক ঃ বৰ্ষা ঋতু, শৰৎ কাল, অসমৰ বাৰিষা আদি।

(ক) আৰম্ভণি ঃ পৰিচয়মূলক বৰ্ণনা।

(খ) সময় ঃ বছৰৰ কোন সময়ত সেই কালটো উপস্থিত হয় তাৰ বৰ্ণনা।

(গ) প্ৰাকৃতিক দৃশ্য ঃ সেই নিৰ্দিষ্ট সময়ছোৱাত গছ-গছনি, লতা-লতিকা, মাটি, পানী, আকাশ আদিয়ে কেনে ৰূপ ধাৰণ কৰে তাৰ বৰ্ণনা।

(ঘ) ঘটনা/বিশেষ অনুষ্ঠান ঃ সেই সময়ছোৱাত ঘটা উল্লেখযোগ্য ঘটনা বা অনুষ্ঠিত হোৱা বিশেষ অনুষ্ঠানৰ বৰ্ণনা।

(ঙ) সামৰণি ঃ নিজৰ মন্তব্য।

- শিল্প বিষয়ক ঃ ছপাকল

(ক) আৰম্ভণি ঃ সাধাৰণ পৰিচয়মূলক বৰ্ণনা।

(খ) প্ৰস্তুত প্ৰণালী ঃ কেনেকৈ প্ৰস্তুত/উৎপাদন কৰা হয় তাৰ বিৱৰণ।

(গ) বিৱৰণ ঃ বস্তুবিধৰ বিৱৰণ।

(ঘ) ব্যৱহাৰ ঃ কি কামত ব্যৱহাৰ কৰা হয়, ইয়াৰ উপকাৰিতা, অপকাৰিতা আদি।

(ঙ) সামৰণি ঃ নিজস্ব মন্তব্য।

- স্থান বিষয়ক ঃমোৰ ভাল লগা এখন ঠাই, ঐতিহাসিক নগৰ শিৱসাগৰ, ইত্যাদি।
  (ক)আৰম্ভণি ঃ পৰিচয়মূলক বৰ্ণনা।
  (খ)অৱস্থিতিঃ ভৌগোলিক অৱস্থিতি, চাৰিসীমা, নামকৰণ, উৎপত্তিৰ কাৰণ, সেই সম্পৰ্কে থকা জনশ্ৰুতি আদি।
  (গ)সাধাৰণ বৰ্ণনা ঃ আয়তন, প্ৰাকৃতিক সৌন্দৰ্য, জলবায়ু আদি।
  (ঘ) অধিবাসী ঃ অধিবাসীসকলৰ জনসংখ্যা, ধৰ্ম, জাতি, জীৱিকা আদি।
  (ঙ)শিক্ষা ব্যৱস্থা ঃ স্কুল, কলেজ, লাইব্ৰেৰী আদি।
  (চ) উৎসৱ-অনুষ্ঠান ঃ সেই ঠাইত অনুষ্ঠিত সামাজিক/ধৰ্মীয় উৎসৱৰ বৰ্ণনা।
  (ছ) উৎপাদিত বস্তু ঃ কৃষিজাত/খনিজাত/শিল্পজাত বস্তুৰ বিৱৰণ।
  (জ)জলবায়ু ঃ বাসোপযোগী হয়নে নহয় তাৰ বিৱৰণ।
  (ঝ)অন্যান্য বিষয় ঃ উল্লেখযোগ্য স্থান, মঠ-মন্দিৰ, গীৰ্জা, মছজিদ আদিৰ বিৱৰণ।
  (ঞ) সামৰণি ঃ নিজস্ব মন্তব্য। অতীত আৰু বৰ্তমানৰ মাজত তুলনা লগতে ভৱিষ্যতৰ সম্ভাৱনীয়তা।

- প্ৰকৃতি বিষয়ক ঃ বানপানী, ভূইকঁপ আদি।
  (ক)আৰম্ভণি ঃ পৰিচয়মূলক সাধাৰণ বৰ্ণনা।
  (খ)প্ৰাকৃতিক পৰিৱেশ (অৱস্থা) ঃ বছৰৰ মাহ/ঋতু অনুযায়ী মাটি, পানী, গছ-লতা, জলবায়ু আদিৰ বৰ্ণনা।
  (গ)কাৰণ ঃ প্ৰাকৃতিক আৰু ভৌগোলিক কাৰণ।
  (ঘ) সুবিধা-অসুবিধা ঃ এই নিৰ্দিষ্ট পৰিস্থিতিত জীৱ-জন্তুৰ সুবিধা-অসুবিধাৰ বৰ্ণনা।
  (ঙ)সামৰণি ঃ নিজস্ব মন্তব্য।

➢ *বৃত্তান্তমূলক ৰচনা*

- পৌৰাণিক বা ঐতিহাসিক কাহিনী/ঘটনা
- জীৱন চৰিত
- ভ্ৰমণ কাহিনী
- উৎসৱ বিষয়ক
- সমসাময়িক ঘটনা বিশেষ

- পৌৰাণিক বা ঐতিহাসিক কাহিনী/ঘটনা ঃ ভাৰতৰ স্বাধীনতা আন্দোলন, চিপাহী বিদ্ৰোহ, পলাচীৰ যুদ্ধ আদি।
  (ক) আৰম্ভণি ঃ ঘটনা/কাহিনীৰ সাধাৰণ পৰিচয়।
  (খ) অৱস্থিতি ঃ সময়, ঠাই, কাৰণ আদি।
  (গ) বিৱৰণ ঃ ঘটনাৰ বিৱৰণ।
  (ঘ) ফলাফল ঃ ঘটনাৰ ফল, উপকাৰ-অপকাৰ আদি।
  (ঙ) সামৰণি ঃ নিজস্ব মন্তব্য।
- জীৱন চৰিত ঃ মহাত্মা গান্ধী, নলিনীবালা দেৱী, শংকৰদেৱ, মাধৱদেৱ, লক্ষ্মীনাথ

বেজবৰুৱা, ইত্যাদি।

(ক) আৰম্ভণি ঃ পৰিচয়মূলক সাধাৰণ বৰ্ণনা।

(খ) পৰিচয় ঃ পূৰ্ব-পুৰুষৰ কথা, জন্ম কাল, মাতা-পিতা, বাল্যকাল, শিক্ষা-দীক্ষা

(গ) কৰ্মজীৱন ঃ জীৱিকা, কোনো উল্লেখযোগ্য কৰ্ম, দেশ বা জাতিৰ বাবে কৰা কোনো বিশেষ কার্য।

(ঘ) মৃত্যু ঃ সময়, স্থান আৰু কাৰণ।

(ঙ) চৰিত্ৰ ঃ চাৰিত্ৰিক দোষ-গুণ আদি।

(চ) সামৰণি ঃ নিজস্ব মন্তব্য।

❍ ভ্ৰমণ কাহিনী ঃ মোৰ জীৱনৰ এটা স্মৰণীয় ভ্ৰমণ কাহিনী।

(ক) আৰম্ভণি ঃ সূচনা।

(খ) গন্তব্য স্থান ঃ সময়, স্থান (কৰপৰা ক'লৈ)।

(গ) বিৱৰণ ঃ ভ্ৰমণৰ বিৱৰণ।

(ঘ) অন্যান্য বিষয় ঃ উল্লেখযোগ্য স্থান, মঠ-মন্দিৰ, গীৰ্জা, মছজিদ আদিৰ বিৱৰণ।

(ঙ) লাভালাভ ঃ অভিজ্ঞতা, লাভ-লোকচান আদি।

(চ) সামৰণি ঃ নিজস্ব মন্তব্য।

❍ উৎসৱ বিষয়ক ঃ বিহু, মহৰম, দীপাৱলী, দুর্গাপূজা আদি।

(ক) আৰম্ভণি ঃ সূচনা।

(খ) উপলক্ষঃ যি উপলক্ষত উৎসৱটি পালন কৰা হয়।

(গ) সময় ঃ অনুষ্ঠিত কৰাৰ সময়, কাৰণ আদি।

(ঘ) বর্ণনা ঃ উৎসৱৰ বর্ণনা।

(ঙ) বিশেষত্ব ঃ সমাজ জীৱনত প্ৰভাব, উৎসৱৰ লগত জড়িত বিভিন্ন লোকপৰম্পৰাৰ বিৱৰণ ।

(চ) সামৰণি ঃ নিজস্ব মন্তব্য।

❍ সাময়িক ঘটনা বিশেষ ঃ ভাৰতৰ প্ৰথম মুক্তি সংগ্ৰাম।

(ক) আৰম্ভণি ঃ সূচনা।

(খ) সময় ঃ কাৰণ, সময়, স্থান।

(গ) বিৱৰণ ঃ ঘটনাৰ বর্ণনা।

(ঘ) ফলাফল ঃ পৰিণাম।

(ঙ) সামৰণি ঃ মন্তব্য।

➢ *চিন্তামূলক ৰচনা*

- নীতি বিষয়ক
- গুণ বিষয়ক
- সমালোচনা বিষয়ক
- ক্ৰিয়া বিষয়ক, ইত্যাদি।

- নীতি বিষয়ক ঃ নিয়মানুবৰ্তিতা
  (ক) আৰম্ভণি ঃ সূচনা।
  (খ) সংজ্ঞা ঃ কাক বোলে।
  (গ) ব্যাখ্যা ঃ বিষয়টোৰ বিশদ বৰ্ণনা।
  (ঘ) উদাহৰণ ঃ বিষয়টোৰ লগত মিলা উদাহৰণ।
  (ঙ) লাভালাভ ঃ বিষয়টিৰ উপকাৰিতা-অপকাৰিতা।
  (চ) সামৰণি ঃ নিজস্ব মন্তব্য।

- গুণ বিষয়ক ঃ চৰিত্রানুৱৰ্তীতা
  (ক) আৰম্ভণি ঃ সূচনা।
  (খ) ব্যাখ্যা ঃ বিষয়টোৰ বিশদ ব্যাখ্যা।
  (গ) উদাহৰণ ঃ বিষয়টোৰ লগত খাপ খোৱা উদাহৰণ।
  (ঘ) লাভালাভ ঃ বিষয়টিৰ উপকাৰিতা-অপকাৰিতা।
  (ঙ) সামৰণি ঃ নিজস্ব মন্তব্য।

- সমালোচনা বিষয়ক ঃ মোৰ প্ৰিয় গ্ৰন্থ
  (ক) আৰম্ভণি ঃ সূচনা।
  (খ) আলোচনা ঃ বিষয়ৰ বিশদ আলোচনা।
  (গ) বিষয়টো ভাল লগা/নলগাৰ কাৰণ।
  (ঘ) লাভালাভ ঃ উপকাৰিতা-অপকাৰিতা।
  (ঙ) সামৰণি ঃ নিজস্ব মন্তব্য।

- ক্ৰিয়া বিষয়ক ঃ ছাত্ৰ-ছাত্ৰী আৰু সমাজ সেৱা
  (ক) আৰম্ভণি ঃ সংজ্ঞা, পৰিচয়।
  (খ) বিধি ঃ নিয়ম-নীতি, কৰ্ম-প্ৰণালী আদি।
  (গ) লাভালাভ ঃ উপকাৰিতা-অপকাৰিতা।
  (ঘ) সামৰণি ঃ নিজস্ব মন্তব্য।

ইয়াত উল্লেখ কৰা বিষয় সমূহৰ উপৰি আৰু বিভিন্ন বিষয় সম্পৰ্কে ৰচনা লিখিব পাৰি। অধ্যায়টিৰ এই শাখাটিৰ জৰিয়তে ৰচনা লিখোতে কোনবিলাক বিষয়ত গুৰুত্ব প্ৰদান কৰিব লাগে সেই সম্পৰ্কেহে সম্যক ধাৰণা প্ৰদান কৰিব বিচৰা হৈছে। এইবোৰক নিদৰ্শন হিচাপে লৈ আপুনি বিভিন্ন বিষয়ৰ ৰচনা লিখিবলৈ যত্ন কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ৰচনা কি? ৰচনাৰ শ্ৰেণী বিভাজন কৰক।



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কোনো এটা বিষয় সম্পৰ্কে যুক্তি-বিশ্লেষণ তথা তথ্যানুসাৰে লিখা কথাই হ'ল ৰচনা।
- ৰচনা লিখিবলৈ হ'লে কেতবোৰ দিশৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিব লাগে। এই দিশসমূহৰ বিষয়ে আলোচনা কৰি ৰচনা এখন লিখোতে বিষয়বস্তু কেনেদৰে বিভাজিত কৰি ল'ব লাগে সেয়া ইয়াত আলোচনা কৰা হৈছে।
- কোনো এক ৰচনাৰ সম্পূৰ্ণ পাঠখিনি পঢ়ি তাৰ সাৰ বা মূল কথাখিনি চমু আৰু সহজ-সৰল ভাষাত লিখাকে সাৰাংশ লিখন বোলে। ইয়াৰ বাবে কেতবোৰ নিৰ্দিষ্ট নিয়ম মানি চলিব লাগে। এইবোৰৰ বিষয়ে উদাহৰণসহ এই অধ্যায়টিত আলোচনা কৰা হৈছে।
- বিভিন্ন প্ৰকাৰৰ ৰচনা গঠন কেনে হোৱা উচিত সেয়াও এই অধ্যায়টিত উল্লেখ কৰা হৈছে।



৭.৬ অধিক জানিবলৈ

গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ*, গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

গোস্বামী, গোলোকচন্দ্ৰ (২০০০); *অসমীয়া ব্যাকৰণ প্ৰবেশ*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

গোস্বামী, গোলোকচন্দ্ৰ (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

পাটগিৰি, দীপ্তি ফুকন (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ;* গোলাঘাট ঃ সৰস্বতী প্ৰকাশন।



৭.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰচনা কি তাৰ সংজ্ঞা লিখিব ..... ৰচনাৰ বিভিন্ন ভাগ সম্পৰ্কে চমুকৈ লিখিব